## ৫.০১.১৫. বৈষ্ণৱ ধৰ্ম

দূৰ অতীতৰপৰা অসমত পৰম্পৰাগতভাৱে প্ৰবহমান বৈষ্ণৱ ধৰ্মক চাৰিটা ভাগত ভগাব পাৰি। যেনে ঃ

(১) পাঞ্চৰাত্ৰ পৰ্ব

(২) পৌৰাণিক কৃষ্ণধৰ্ম

(৩) নৱ-বৈষ্ণৱ ধৰ্ম বা ভক্তিধৰ্ম বা ভাগৱতী ধৰ্ম

আৰু (৪) সত্ৰায়ন বৈষ্ণৱ ধৰ্ম

১৫.০১. পাঞ্চৰাত্ৰ পৰ্ব ঃ বৈষ্ণৱ ধৰ্ম ঋগ্বেদৰ সমানেই প্ৰাচীন। বৈষ্ণৱ ধৰ্ম বা সম্প্ৰদায়ৰ অন্যতম উপাস্যদেৱ বিষ্ণু সূৰ্যৰ সৈতে অভিন্ন আৰু বৈদিক যুগৰ আৰম্ভণিতে কৃষিদেৱতা স্বৰূপে আত্ম প্ৰকাশ কৰিছে। সূৰ্য্যৰ গতিয়েই বিষ্ণুৰ গতি স্বৰূপে পৰিগণিত। বিষ্ণুৰ অৰ্থ ব্যাপক আৰু সূৰ্য্যৰ অৰ্থও অন্ততঃ প্ৰকাৰ্য্যাত্মক দিশৰ ফালৰপৰা ব্যাপক। পৰৱৰ্তী কালত বিষ্ণুক ক্ৰমে 'উদ্যত কোটি দিবাকৰাভা' আৰু 'সাবিতৃ-মণ্ডলমধ্যবৰ্তিন' আখ্যা দিয়া হৈছে আৰু চক্ৰ

আৰু গৰুড়ৰ লগত তেওঁক সংযোজন কৰা হৈছে। আদিতে বিষ্ণু আদিত্যসকলৰ মাজৰে এজন (দ্বাদশ আদিত্য)। বিষ্ণুৰ তিনিপদৰ লগত ত্ৰিভুবন জৰিত। প্ৰথম দুপদ পাৰ্থিব আৰু দ্বিতীয় পদ কেৱল সুৰিসকলেহে দেখিবলৈ পায়। শেষলৈ 'পৰমপদ'ৰ বাবে বিষ্ণুৰ লোকপ্ৰিয়তা বাঢ়িবলৈ ধৰিলে— যিহেতু মৃতলোকৰ আত্মাই বিষ্ণু লোক অৰ্থাৎ বিষ্ণুৰ 'পৰমপদ'ত স্থান লাভ কৰে। শতপথ *ব্ৰাহ্মণ*-ত বিষ্ণুৱেই যজ্ঞ। বৈদিক যুগৰ পৰৱৰ্তী কালতো তেওঁ শ্ৰেষ্ঠ দেৱতা। তেৱেঁই 'পৰম' আৰু অগ্নি 'অৱম্'। 'পৰম' আৰু 'অৱম্' পদ দুটাই ক্ৰমে স্বৰ্গীয় (heavenly) আৰু 'পাৰ্থিব' (earthly) দেৱতাকো বুজাব পাৰে। *বৌধায়ন ধৰ্ম সূত্ৰ*-ত বিষ্ণু গোবিন্দ অৰ্থাৎ গোৰক্ষক।

অসমত কেতিয়াৰপৰা বৈষ্ণৱ ধৰ্ম প্ৰচলিত হৈছিল তাক থাটাংকৈ ক'ব নোৱাৰি, তথাপি অনুমান কৰিব পাৰি যে, খ্ৰীঃ চতুৰ্থ-পঞ্চম শতিকাৰপৰাই বৈষ্ণৱ ধৰ্মই এই অঞ্চলত খোপনি পুতিবলৈ ধৰিছিল। গুপ্ত যুগৰ অন্যান্য প্ৰভাৱৰ লগতে ভাগৱত ধৰ্ম বা বৈষ্ণৱ ধৰ্মৱো ইয়াত স্থিতি লাভ কৰিছিল। পাঞ্চৰাত্ৰ পদ্ধতিৰে বাসুদেৱক পূজা-উপাসনা কৰা পৰম্পৰা খ্ৰীঃ চতুৰ্থ শতিকাৰ পৰা বৰ্তমানলৈও চলি আছে। চতুৰ্থ-পঞ্চম খ্ৰীঃ শতিকাৰ বুলি অনুমান কৰা কেইবাটিও বাসুদেৱ মূৰ্তি অসমত উদ্ধাৰ হৈছে। অসমৰ প্ৰাচীন মন্দিৰ হাজোৰ মাধৱ, উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্ত মন্দিৰত তান্ত্ৰিকপৰা বৰ্তমানলৈকে পাঞ্চৰাত্ৰ পদ্ধতিতেই বিষ্ণু পূজা চলি আহিছে। শুক্ৰেশ্বৰ পৰ্বতৰ পিঠিত ব্ৰহ্মপুত্ৰ নদৰ ফালে মুখ কৰি থকা বোধজনাৰ্দন মূৰ্তিটো *পাঞ্চৰাত্ৰ সংহিতা* কল্পিত মূৰ্তি যেন লগে। খ্ৰীঃ দ্বাদশ শতাব্দীলৈ যে, অসমত বিষ্ণু ধৰ্মৰ প্ৰাধান্য আছিল তাৰ পৰিচয় *কালিকা-পুৰাণ*-ৰপৰাও জনা যায়। নগাঁৱৰ বৰগংগাত উদ্ধাৰ হোৱা মহাভূতিবৰ্মৰ শিলালিপিত (খ্ৰীঃ পঞ্চম শতিকাৰ) তেওঁক অশ্বমেধ যাজী আৰু পৰমভাগৱত আখ্যা দিয়া হৈছে। ইয়াৰপৰা বুজিব পাৰি যে, খ্ৰীঃ পঞ্চম শতিকাৰ পূৰ্বৰেপৰা প্ৰাচীন অসমত বৈষ্ণৱ ধৰ্মই জনপ্ৰিয়তা লাভ কৰিছিল।

**১৫.০২. পৌৰাণিক কৃষ্ণপৰ্ব ঃ** আদিভাগত অসমত প্ৰচলিত পাঞ্চৰাত্ৰ বৈষ্ণৱ ধৰ্ম যাগ-যজ্ঞ প্ৰধান, ক্ৰিয়া প্ৰধান আৰু ব্যয়বহুল হোৱা হেতু ভাৰতবৰ্ষৰ আন আন অঞ্চলত খ্ৰীঃ দ্বাদশ শতিকাৰ প্ৰাৰম্ভণিৰ পৰা আবেগময়ী ভক্তিয়ে লোকপ্ৰিয়তা লাভ কৰিবলৈ ধৰে। অৱশ্যে অসমত এই আৱেগময়ী ভক্তি তেতিয়াই গা দাঙি উঠিব পৰা নাছিল। বিষ্ণুৰ বিভিন্ন ৰূপকল্প যেনে ঃ বাসুদেৱ, লক্ষ্মীনাৰায়ণ, আদিত্য-মণ্ডল মধ্যবৰ্তী আৰু শেষনাগশায়ী বিষ্ণু নাৰায়ণেই সেই সময়ত গুৰুত্ব লাভ কৰিছিল।

খ্ৰীঃ ত্ৰয়োদশ শতিকাৰপৰা আৰম্ভ কৰি খ্ৰীঃ চতুৰ্দশ শতিকাৰ অসমীয়া কবিসকলৰ ৰচনাত ৰাম, কৃষ্ণ, বিষ্ণুৰ মাজত কোনো পাৰ্থক্য নাই। তেওঁলোকৰ মানত কৃষ্ণ যদুপতি হৈয়ো নাৰায়ণ আৰু নিৰঞ্জন। হেম সৰস্বতীৰ ভাষাত ঃ

*নমো নাৰায়ণ নিৰঞ্জন যদুপতি।*
*তোমাৰ চৰণে মোৰ নিমজোক মতি।।*

**১৫.০৩. নৱবৈষ্ণৱ ধৰ্ম বা ভক্তিধৰ্ম বা ভাগৱতীধৰ্ম ঃ** ভক্তিতত্ত্বৰ উৎসৰ সন্ধান পোৱা যায় প্ৰাক্‌বৈদিক যুগত। *ঋগ্বেদ*-ত বৰুণ, সাবিতৃ আৰু উষাৰ প্ৰাৰ্থনা পোৱা যায়। এই প্ৰাৰ্থনা মন্ত্ৰবোৰত ভক্তিৰ বীজ নিহিত হৈ আছে। আনকি *উপনিষদ* সমুচ্চয়ৰ ভিতৰত কেইখনমানত ভক্তিতত্ত্বৰ আভাস পোৱা যায়। খ্ৰীঃ পূঃ ৫ম শতিকাৰ জগৎ প্ৰসিদ্ধ ব্যাকৰণবিদ্ পাণিনিৰ *অষ্টাধ্যায়ী*ত ভক্তিতত্ত্বৰ উল্লেখ পোৱা যায়। *শ্বেতাশ্বতৰ* উপনিষদত 'পৰা-ভক্তি'ৰ উল্লেখ পোৱা যায়। ভক্তিতত্ত্বৰ অস্পষ্ট আভাস বৈদিক মন্ত্ৰ, *উপনিষদ* আদিত পালেও প্ৰকৃতাৰ্থত ইয়াৰ পূৰ্ণবিকাশ লক্ষ্য কৰা যায় পৰৱৰ্তী যুগৰ মহাকাব্য অৰ্থাৎ *ৰামায়ণ-মহাভাৰত-পুৰাণ* আৰু পৰৱৰ্তী ভক্তি সাহিত্যত। উপনিষদৰ নিৰ্গুণ ব্ৰহ্মই সগুণ ব্ৰহ্ম বা ঈশ্বৰ তথা উপাস্য দেৱতা স্বৰূপে আত্মপ্ৰকাশ কৰাৰ গুৰিতে আছে ভক্তিধৰ্মৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ।

ভক্তিতত্ত্ব বা ভক্তিধৰ্মৰ মূল লক্ষ্য হৈছে — লোকজীৱনৰ সমুন্নতি। লোকজীৱনে নিৰ্গুণ আৰু ধ্যেয় ব্ৰহ্মৰ বিষয়ে উপলব্ধি কৰিব নোৱাৰে, গতিকে নিৰ্গুণ-নিৰুপাধি-ধ্যেয় ব্ৰহ্মই সৰ্বসাধাৰণৰ চিনাকি কৃষ্ণ, ৰাম স্বৰূপে অৰ্থাৎ সগুণ আৰু উপাস্য দেৱতা স্বৰূপে ধৰা দিলে। নিৰ্গুণ ব্ৰহ্মৰ বিষয়ে লোকচিত্তই চিন্তা কৰিব নোৱাৰে, এই চিন্তন-মনন সম্ভৱ জ্ঞানবাদীৰ বাবে, আৱেগ চঞ্চল লোকজীৱনৰ বাবে প্ৰয়োজন সাকাৰ বা অৱতাৰী ব্ৰহ্ম বা সগুণ

ঈশ্বৰৰ আৰু এই দাবী পূৰণ কৰিবলৈ যোৱাৰ পৰিণতিত ভক্তিৰ উদ্ভৱ হ'ল। ভক্তিৰ উদ্ভৱ আৰু বিকাশ সামাজিক ব্যাপাৰৰ বাহিৰে আন একো নহয়। আধাৰ অবিহনে কোনো ব্যাপাৰৰ জন্ম হ'ব নোৱাৰে, গতিকে ভক্তি ব্যাপাৰৰ আধাৰো সমাজ হোৱাই স্বাভাৱিক।

বৈদিক বিষ্ণু-উপাসনা পদ্ধতিৰ লগত লোকধৰ্মৰ (Popular cults) সংযোগ প্ৰক্ৰিয়াৰ ফলস্বৰূপে নৱবৈষ্ণৱ বা ভক্তিধৰ্মৰ উদ্ভৱ আৰু বিকাশ হৈছে। পণ্ডিতসকলৰ মতে ভক্তিমাৰ্গত স্থান লাভ কৰা ভগৱৎ, ভক্তি আৰু ভক্ত — এই তিনিটা পদে আদিম জনজাতীয় গোষ্ঠী বিশেষৰ সম্পত্তিৰ অধিকাৰী (ভগৱৎ, প্ৰভু), সম্পত্তিৰ অংশ (ভক্তি) আৰু সম্পত্তিৰ অংশ লাভ কৰা ব্যক্তিবিশেষক (ভক্ত) সূচিত কৰে। সময়ৰ অগ্ৰগতিত ভগৱতক ঈশ্বৰ হিচাপে শ্ৰদ্ধা কৰিবলৈ লোৱা হ'ল আৰু ভক্তক ঈশ্বৰৰ সেৱক ৰূপে গণ্য কৰা হ'ল।

ভক্তিতত্ত্বৰ জন্ম হৈছিল দ্ৰাবিড় ভূমিত অৰ্থাৎ তামিলদেশত। *শ্ৰীমদ্ভাগৱত পুৰাণ*-ৰ পৰিশিষ্ট 'ভাগৱত-মাহাত্ম্য'ত ভক্তি সম্পৰ্কীয় এটি অণু-কাহিনী পোৱা যায়। এই কাহিনীটোৰ মতে ভক্তিয়ে নাৰী-মূৰ্তি পৰিগ্ৰহ কৰি মহৰ্ষি নাৰদক কৈছে ঃ 'উৎপন্না দ্ৰাবিড়ে সাহ২ম্।'

অৰ্থাৎ দ্ৰাবিড় দেশত মোৰ উৎপত্তি হৈছে।

এই মিথটোৰ সত্যতা ঐতিহাসিক প্ৰমাণৰ ফালৰপৰাও প্ৰতিপন্ন কৰিব পাৰি। ইতিহাসৰ মতে দক্ষিণ ভাৰতত অৰ্থাৎ দ্ৰাবিড় দেশতেই আলোৱাৰ নামৰ এশ্ৰেণী কৃষ্ণ-ভক্তৰ বিকাশ ঘটিছিল। তেওঁলোকৰ উপাস্য দেৱতা আছিল বালগোপাল আৰু তেওঁলোকে বালগোপালক উপাসনা কৰিছিল আবেগ প্ৰসূত গীত-পদ আৰু নৃত্যৰে। পণ্ডিতসকলৰ মতে বৈষ্ণৱ ভক্ত-গায়ক আলোৱাৰসকলৰ ভগৱৎ প্ৰীতিৰ মাধ্যমেৰে প্ৰেম-ভক্তিৰ বিকাশ হোৱা স্বাভাৱিক। খ্ৰীঃ সপ্তম শতিকাৰ পৰা খ্ৰীঃ দশম শতিকাৰ ভিতৰত আলোৱাৰসকলৰ উদ্ভৱ হৈছিল। আলোৱাৰসকলৰ মাজৰ কোনো কোনো সিদ্ধই খ্ৰীঃ সপ্তম আৰু নৱম শতিকাৰ ভিতৰত *শ্ৰীমদ্ভাগৱত-পুৰাণ* খন ৰচনা কৰে। ভক্তিতত্ত্ব প্ৰতিপাদক গ্ৰন্থসমূহৰ ভিতৰত পুৰাণ সূৰ্য্য *শ্ৰীমদ্ভাগৱত-পুৰাণ* নিঃসন্দেহে অন্যতম প্ৰধান।

০১. **ভক্তিধৰ্ম বিকাশৰ কাৰণ ঃ** ভক্তিধৰ্ম সামাজিক ব্যাপাৰ বুলি ইতিমধ্যে কোৱা হৈছে। গতিকে সামাজিক ব্যাপাৰ হিচাপে ভক্তিধৰ্মৰ উদ্ভৱ আৰু বিকাশৰ সৈতে কিছুমান সামাজিক কাৰণ নিহিত হৈ থকা স্বাভাৱিক। এই কাৰণবোৰ তলত আলোচনা কৰা হ'ল। যেনে ঃ

(ক) খ্ৰীঃ দশম-একাদশ শতিকামানৰপৰা আৰম্ভ কৰি আধুনিক ভাৰতীয় ভাষাসমূহে প্ৰাকৃত-অপভ্ৰংশ আদি বিভিন্ন স্তৰৰ মাজেৰে অতিক্ৰম কৰি আধুনিক ৰূপ ল'বলৈ সক্ষম হয়। অৱশ্যে তামিল ভাষাৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম দেখা যায়। কিয়নো আধুনিক ভাৰতীয় ভাষাৰ ভিতৰত তামিল ভাষাই অতি প্ৰাচীন আৰু তামিল সাহিত্যও তামিল ভাষাৰ সমানেই প্ৰাচীন। উত্তৰ ভাৰতৰ আধুনিক ভাষাবোৰত ভক্তি সাহিত্য ৰচিত হৈছে খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ শেষাৰ্ধত; কিন্তু তামিল ভাষাত ভক্তি সাহিত্য ৰচিত হৈছে খ্ৰীঃ ষষ্ঠ শতিকাৰ পৰা। সেইবাবে তামিল সাহিত্যত খ্ৰীঃ ষষ্ঠ শতিকাৰপৰা নৱম শতিকালৈকে এই কালছোৱাক ভক্তি কাল আখ্যা দিয়া হয়। ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে, আধুনিক ভাৰতীয় ভাষাসমূহৰ ভিতৰত তামিল ভাষাতেই পোনতে ভক্তি সাহিত্যৰ উন্মেষ হয়। এই সময়ছোৱাত বৈষ্ণৱ ভক্ত কবি আলোৱাৰসকল আৰু শৈৱ ভক্ত কবি নায়নমাৰসকলৰ উদ্ভৱ হৈছিল। এওঁলোকেও তামিল ভাষাৰ সহায়ত বালগোপালৰ লীলা-মালা প্ৰকাশ আৰু প্ৰচাৰ কৰিছিল।

সংস্কৃত ভাষা ভাৰতীয় চিন্তন-মনন আৰু আধ্যাত্মিকতাৰ অন্তহীন উৎস — যাক কেন্দ্ৰ কৰি ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ উদ্ভৱ আৰু বিকাশ হৈছে। কিন্তু দুখৰ বিষয় সংস্কৃত ভাষা সৰ্বসাধাৰণে নুবুজে, গতিকে সংস্কৃত ভাষাত নিহিত চিন্তন-মনন-আধ্যাত্মিকতা তেওঁলোকৰ বাবে অবোধগম্য। সমাজৰ কেইগৰাকীমান মুষ্টিমেয় পণ্ডিত, পুৰোহিত আদিৰ মাজতেই সেই শাস্ত্ৰজ্ঞান, নীতিজ্ঞান সীমিত থাকিবলৈ বাধ্য হৈছিল। গতিকে আধুনিক ভাৰতীয় ভাষাবোৰৰ উদ্ভৱ হোৱাৰ লগে লগে সেই সেই ভাষাত সংস্কৃত গ্ৰন্থৰাজি অনূদিত হ'বলৈ ধৰিলে। লগে

লগে জনসাধাৰণে বৈষ্ণৱ ধৰ্মৰ প্ৰকৃত তত্ত্ব বুজিবলৈ সক্ষম হ'ল— যাৰ ফলত নব-বৈষ্ণৱ ধৰ্ম বা ভক্তিধৰ্ম উদ্ভৱ হোৱাৰ পথ প্ৰশস্ত হৈ পৰিল।

(খ) উচ্চবৰ্ণ হিন্দুৰদ্বাৰা নিম্নবৰ্ণৰ লোকসকল অনেক ক্ষেত্ৰত নিষ্পেষিত আৰু নিৰ্যাতিত হৈছিল। দ্বিতীয়তে নিম্নবৰ্ণৰ হিন্দুসকলে যাগ-যজ্ঞ আদি সম্পাদন কৰিবলৈ অসমৰ্থ হৈছিল আৰ্থিক দুৰৱস্থাৰ হেতু। এনেবোৰ কাৰণত নিম্নবৰ্ণৰ হিন্দুসকলে যাগ-যজ্ঞবিহীন উদাৰ বৌদ্ধধৰ্ম গ্ৰহণ কৰিবলৈ অগ্ৰসৰ হৈছিল। ইয়াৰ ফলত হাজাৰ হাজাৰ নিম্নবৰ্ণৰ হিন্দুৱে বৌদ্ধ ধৰ্মত দীক্ষিত হৈছিল। হিন্দু ধৰ্ম আৰু সমাজৰ এনে দুৰ্যোগৰ ক্ষণত ৰক্ষক স্বৰূপে আগবাঢ়ি আহিল শংকৰাচাৰ্য। তেওঁ একাধিকবাৰ কাশ্মীৰৰপৰা ৰামেশ্বৰ আৰু দ্বাৰকাৰপৰা কামৰূপ পৰ্যন্ত সমগ্ৰ ভাৰতৰ্বষ ভ্ৰমণ কৰি উপনিষদৰ বাণী প্ৰচাৰ কৰি অনৈক্যৰ মাজত ঐক্য স্থাপন কৰি হিন্দুধৰ্মক সুৰক্ষিত কৰে। দিয়া-নিয়াৰ আদৰ্শৰে তেওঁ বৌদ্ধ ধৰ্মৰ পৰা অহিংসা নীতি হিন্দুধৰ্মৰ আচৰণ-বিধিত সংযোজন কৰিলে আৰু বুদ্ধদেৱকো বিষ্ণুৰ অৱতাৰ স্বৰূপে স্বীকৃতি প্ৰদান কৰা হ'ল।

দ্বিতীয়তে, হিন্দুধৰ্মৰ উদাৰকৰণত শংকৰাচাৰ্যৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ, যিহেতু ভক্তিৰ উপাদানেৰে হিন্দুধৰ্মৰ আচৰণ আৰু ধৰ্মৰ কঠোৰতা হ্ৰাসকৰণত শংকৰাচাৰ্যৰ ভূমিকাও উল্লেখযোগ্য। শংকৰাচাৰ্য জ্ঞানবাদী আছিল যদিও, কিন্তু তেওঁ ভক্তিবাদীও আছিল; যিহেতু ভক্তি-বিবেক চূড়ামণি নামৰ এখন ভক্তি বিষয়ক গ্ৰন্থও তেওঁ ৰচনা কৰিছিল। গতিকে বৌদ্ধধৰ্ম গ্ৰহণকাৰী হাজাৰ হাজাৰ হিন্দুলোক পুনঃ হিন্দুধৰ্মলৈ ঘূৰি আহিল। ভক্তি আৰু জ্ঞানৰ জৰিয়তে শংকৰাচাৰ্যই বৌদ্ধধৰ্মৰ প্ৰত্যাহ্বানৰপৰা হিন্দুধৰ্মক ৰক্ষা কৰে। জ্ঞান আৰু ভক্তি উভয়ে উভয়ৰ পৰিপন্থী নহয়, পৰিপূৰকহে।

(গ) বৌদ্ধধৰ্মৰ প্ৰত্যাহ্বানৰ গুৰুত্ব কমি যোৱাৰ লগে লগেই আকৌ হিন্দুধৰ্মত কিছুমান বেমেজালিয়ে দেখা দিবলৈ ধৰিলে। ইয়াৰ ফলত হিন্দুধৰ্মৰ পটভূমিত বিভিন্ন ধৰ্ম বিশ্বাস, নানা মাৰ্গ সম্প্ৰদায়, সাধন পদ্ধতি আৰু বিবিধ আচাৰ-অনুষ্ঠানৰ সৃষ্টি হয়, যাৰ ফলত হিন্দুধৰ্মত নানা খেলিমেলিয়ে দেখা দিবলৈ ধৰিলে। বেদ-উপনিষদৰ একেশ্বৰবাদৰ ঠাইত বহু দেৱ-দেৱতাত বিশ্বাস স্থাপন, বাহ্যিক আচাৰ-অনুষ্ঠানত গুৰুত্ব প্ৰদান, প্ৰেম-মৈত্ৰী, দয়া-দাক্ষিণ্য, কৰুণা-অহিংসা-সমদৃষ্টি আদিৰ ঠাইত ভেদাভেদভাৱৰ প্ৰাধান্য আদিয়ে সৰ্বসাধাৰণ হিন্দুক আদৰ্শ ভ্ৰষ্ট কৰি তুলিছিল। ইয়াৰ পৰিণতিত সৰ্বসাধাৰণ হিন্দুৰ মাজত কি কৰো, কি নকৰো ভাবে দকৈ শিপাইছিল। সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় দিশত দেখা দিয়া খেলিমেলিবোৰ আঁতৰাই সেই সময়ৰ বৈষ্ণৱ মহাজনসকলে প্ৰেম-প্ৰীতি, দয়া-কৰুণা, অহিংসা মৈত্ৰী আৰু একেশ্বৰবাদৰ আদৰ্শত জনগণৰ মাজত ভক্তি ধৰ্ম প্ৰচাৰ কৰে।

(ঘ) ভক্তি ধৰ্মৰ উদ্ভৱ আৰু বিকাশত অৰ্থনৈতিক অৱস্থায়ো গুৰুত্ব লাভ কৰিছিল। উচ্চবৰ্ণৰ হিন্দুসকল অৰ্থনৈতিক দিশত বৰ পিছপৰা নাছিল; কিন্তু নিম্নবৰ্ণৰ হিন্দুসকল প্ৰায়ে অৰ্থনৈতিক দিশত দুৰ্বল আছিল। গতিকে বাহ্যিক আড়ম্বৰপূৰ্ণ আৰু ব্যয়বহুল যাগ-যজ্ঞ আৰু পূজা-উপাসনাৰ বাবে প্ৰয়োজনীয় অৰ্থ তেওঁলোকে সংগ্ৰহ কৰিবলৈ অক্ষম হৈছিল আৰু ইয়াৰ প্ৰত্যাহ্বান স্বৰূপেই অনাড়ম্বৰ আৰু ব্যয়বিহীন ভক্তিধৰ্মৰ উদ্ভৱ হৈছিল আৰু জনসাধাৰণে আন্তৰিকতাৰে সৈতে এই ধৰ্ম গ্ৰহণ কৰিছিল।

(ঙ) খ্ৰীঃ দ্বাদশ শতিকাত ভাৰতবৰ্ষত মুছলমান সাম্ৰাজ্য স্থাপিত হোৱাৰ ফলস্বৰূপে সম্ৰাটসকলৰ পৃষ্ঠপোষকতাত আমাৰ দেশত ইছলাম ধৰ্মৰ প্ৰাদুৰ্ভাৱ হ'বলৈ ধৰে। তেওঁলোকে এহাতে শানিত অস্ত্ৰ আৰু আনহাতে কোৰাণ লৈ ইছলাম ধৰ্ম প্ৰচাৰ কৰিছিল যে, হয় তেওঁ কোৰাণ চুই ইছলাম ধৰ্ম গ্ৰহণ কৰিব লাগিব নহ'লে হত্যা কৰা হ'ব। আগবৰ্ণৰপৰা বৰ্ণ হিন্দুৰদ্বাৰা অৱহেলিত, অনাদৃত আৰু শোষিত নিম্ন হিন্দুসকলৰ মাজৰ হাজাৰ হাজাৰজনে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। এই প্ৰসংগত ইছলামৰ উদাৰ ভাতৃত্বই অনেক ক্ষেত্ৰত সহায় কৰিছিল। তেনে এক সংকটময় মুহূৰ্তত হিন্দু সমাজক সজীৱ, উদাৰ, গতিশীল আৰু যুগোপযোগী কৰিবলৈ হিন্দু সমাজ-সংস্কাৰকসকল আগবাঢ়ি আহিল। এই প্ৰসংগত সনাতন হিন্দুধৰ্মৰ দেহত যিবোৰ সময়োপযোগী সমল নাছিল সেইবোৰ দূৰীভূত কৰি নতুন সমল, বিশেষকৈ ইছলামীয় সমল, এনেদৰে সংযোজন কৰা হ'ল যাতে উভয়ৰ মাজত বিৰোধ বা সংঘাত নঘটে বৰং দুয়ো ধৰ্মৰ মাজত সংহতি সাধিত হ'ব পাৰে। এই সন্দৰ্ভত ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ এটি উক্তি উল্লেখ কৰিব পাৰি ঃ

তাৰ উপৰি আপাতদৃষ্টিত যি ধৰ্ম বিশ্বাস আৰু আচাৰ-পদ্ধতিৰ কাৰণে ইছলামে হিন্দুধৰ্মৰ বিৰুদ্ধাচৰণ কৰিছিল সেইবোৰ পৰাপক্ষত আঁতৰাই বা হ্ৰাস কৰি যিবোৰ সনাতন হিন্দুৰ বিশ্বাস আৰু সাধন পদ্ধতিৰ লগত ইছলামৰ গভীৰ বিৰোধ নাই সেইবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি দুয়োটা ধৰ্মৰ সহ অৱস্থান (শব্দটো অৱশ্যে আধুনিক) যাতে সম্ভৱ হয় তালৈকো ধৰ্ম-সংস্কাৰকামীসকলে দৃষ্টি ৰাখিব লগাত পৰিছিল। সকলো শ্ৰেণীৰ হিন্দুকে হিন্দুধৰ্মৰ ভিতৰত থাকিবলৈ উপযোগী সমল দিয়া আৰু আনকো হিন্দু ধৰ্মত অন্তৰ্ভুক্ত হ'বলৈ আকৰ্ষণ কৰা আৰু ইছলামৰ লগত সংঘৰ্ষৰ কাৰণ হ্ৰাস কৰা — এই তিনিটা সমস্যালৈ লক্ষ্য ৰাখি প্ৰাচীন কালৰেপৰা ক্ষীণ হ'লেও অব্যাহতভাৱে প্ৰবাহিত হৈ অহা ঐকান্তিক বৈষ্ণৱ ভক্তিমাৰ্গক সম্প্ৰসাৰিতভাৱে প্ৰবৰ্তন কৰিবলৈ ধৰ্ম সংস্কাৰকামীসকলে মনোনিৱেশ কৰে।

শ্ৰীমদ্ভাগৱত পুৰাণ-ত উচ্চবৰ্গ হিন্দুতকৈ নিম্নবৰ্গ হিন্দু বা আন আন আৰ্য্যেতৰ লোকৰ প্ৰতি অধিক সহানুভূতি দেখুৱা হৈছে। ভাগৱত-পুৰাণ খন দক্ষিণ ভাৰতৰ বিশেষকৈ আলোৱাৰসকলৰ মাজত উদ্ভৱ হোৱা ভক্তিধৰ্মৰ আদৰ্শত ৰচিত হৈছে আৰু ভক্তিধৰ্মৰ তত্ত্বৰাজি প্ৰতিপাদনত এই পুৰাণখনত সৰ্বাধিক গুৰুত্ব দিয়া হৈছে। ভাগৱত-পুৰাণ-ত স্পষ্টভাৱে কোৱা হৈছে যে, ভগৱন্ত কৃষ্ণক যাগ-যজ্ঞ আদিৰে সন্তুষ্ট কৰা যিমান টান, ভক্তিৰে সন্তুষ্ট কৰা সিমান সহজ। গতিকে ভক্তিধৰ্মৰ প্ৰতি জন-গণ-মন আকৃষ্ট হৈছিল বিস্ময়কৰভাৱে। তেওঁলোকে ভক্তিধৰ্মত দীক্ষিত হৈ যি মানসিক শান্তি লাভ কৰিছিল পৰকালতো সংসাৰ চক্ৰৰপৰা উদ্ধাৰ লাভ কৰি পৰমব্ৰহ্মৰ সৈতে একীভূত হোৱাৰ শ্ৰেষ্ঠতম মাধ্যম স্বৰূপে বিবেচিত হৈছিল।

(চ) শংকৰাচাৰ্যই ভক্তি-বিবেক চূড়ামণি নামৰ ভক্তিতত্ত্ববিষয়ক গ্ৰন্থ লিখিলেও আৰু বৌদ্ধধৰ্মৰ প্ৰভাৱ বিলুপ্ত কৰিবৰ বাবে জ্ঞানসম্বলিত ভক্তিতত্ত্ব প্ৰচাৰ কৰিলেও তেওঁৰ এই ভক্তিতত্ত্বত আৱেগ প্ৰৱণতাই সৰ্বাধিক গুৰুত্ব লাভ কৰিব পৰা নাছিল। গতিকে জন-গণ-মন শংকৰাচাৰ্য্যৰ জ্ঞানমাৰ্গী ভক্তিবাদৰদ্বাৰা বিশেষভাৱে আকৃষ্ট হোৱা নাছিল। এই ক্ষেত্ৰত দক্ষিণ ভাৰতৰ ৰামানুজাৰ্য্যৰ অৱদান বিশেষ তাৎপৰ্য্যপূৰ্ণ। তেওঁ উপাস্য দেৱতা আৰু উপাসক অথবা আত্মা আৰু জীৱৰ বৈশিষ্ট্য ৰক্ষা কৰি নৱবৈষ্ণৱ বা ভক্তিধৰ্ম প্ৰচাৰ কৰে। প্ৰকৃতাৰ্থত ৰামানুজাচাৰ্যই জন-গণ-মন উপযোগী ভক্তিধৰ্ম প্ৰচাৰ কৰে।

(ছ) বৈদিক যাগ-যজ্ঞ, পূজা-অৰ্চনা আদিত প্ৰয়োগ কৰা মন্ত্ৰাদি সৰ্বসাধাৰণে বুজি নাপায় আৰু মন্ত্ৰ উচ্চাৰণ বা আবৃত্তিতো তেওঁলোকে ভাগ লোৱাৰ সুবিধা নাই। ইয়াৰ বিপৰীতে সন্তসকলে নাম-কীৰ্তন প্ৰবৰ্তন কৰি জনসাধাৰণকো নাম-কীৰ্তনত ভাগ লোৱাৰ ব্যৱস্থা কৰি দিলে আৰু ইয়াৰ পৰিণতিত জন-গণৰ বাবে ভক্তিধৰ্ম অধিক উপযোগী আৰু ফলপ্ৰসূ হৈ উঠিল।

**(জ) নৱবৈষ্ণৱ ধৰ্ম বা ভক্তিধৰ্মৰ সাধাৰণ বিশেষত্বৰাজি ঃ** নৱবৈষ্ণৱ বা ভক্তিধৰ্ম এক সৰ্বভাৰতীয় সামাজিক ব্যাপাৰ। ভক্তিধৰ্মৰ উৎস হ'ল দক্ষিণ ভাৰত আৰু দক্ষিণ ভাৰতৰপৰা উত্তৰ ভাৰতলৈ সম্প্ৰসাৰিত হৈ এই মতবাদ অসম-কামৰূপ-কমতা পৰ্য্যন্ত বিস্তৃতি লাভ কৰিছিল। গতিকে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ ভক্তিধৰ্মৰ সাধাৰণ বিশেষত্বৰ ক্ষেত্ৰত অনেক সাদৃশ্য পৰিলক্ষিত হয়। এই সাদৃশ্যবোৰ তলত দিয়া হ'ল। যেনে ঃ

(১) ভক্তিধৰ্মত এক দেৱ এক সেৱৰ ওপৰত তুলনামূলকভাৱে অধিক গুৰুত্ব দিয়া হৈছে। নিৰ্গুণ ব্ৰহ্মৰ সগুণ দিশ যেনে ঃ বিষ্ণু আৰু তেওঁৰ অৱতাৰ ৰাম-কৃষ্ণৰ উপাসনা ভক্তিৰ অন্যতম বিশেষত্ব। নৱবৈষ্ণৱ সম্প্ৰদায় বা ভক্তিধৰ্মত অৱতাৰবাদে বিশেষভাৱে স্বীকৃতি লাভ কৰিছে। অৱশ্যে কোনো কোনো সম্প্ৰদায়ত লক্ষ্মী আৰু ৰাধায়ো বিষ্ণু বা কৃষ্ণৰ মায়াশক্তি স্বৰূপে স্থান লাভ কৰিছে।

(২) ভক্তিধৰ্মত যাগ-যজ্ঞ, পূজা-পাতলত গুৰুত্ব দিয়া হোৱা নাই ; গুৰুত্ব দিয়া হৈছে ভক্তিত। নৱবিধা ভক্তিৰ ক্ষেত্ৰত শ্ৰৱণ-কীৰ্তনে বিশেষভাৱে প্ৰাধান্য লাভ কৰিছে।

(৩) ভক্তিৰ ক্ষেত্ৰত জাতি-বৰ্ণ-ধৰ্মৰ পাৰ্থক্য নাই। ব্ৰাহ্মণ-চণ্ডাল, স্ত্ৰী-শূদ্ৰ সকলোৱে ভক্তিধৰ্ম গ্ৰহণ কৰিব পাৰে।

(৪) ভক্তিধৰ্মৰ মাধ্যমেৰে জন-গণ-মনত প্ৰেম, দয়া, অহিংসা, মৈত্ৰী আদি বৃত্তিৰাজিৰ উৎকৰ্ষৰ ক্ষেত্ৰতো গুৰুত্ব দিয়া হৈছিল।

(৫) ভক্তিধৰ্মৰ বিকাশত প্ৰান্তীয় ভাষাই যিদৰে সহায় কৰিছিল ; তদ্ৰূপ প্ৰান্তীয় ভাষাৰ বিকাশতো ভক্তিধৰ্মই অভূতপূৰ্বভাৱে সহায় কৰিছিল।

(৬) ভক্তিধৰ্মই মানবিকতাবাদৰ বিকাশত সুদূৰপ্ৰসাৰী ভূমিকা গ্ৰহণ কৰিছিল।

(৭) ভক্তিধৰ্মৰ পৰিসৰ বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে কোনো কোনো অঞ্চলত এই ধৰ্মত চুফীবাদ, বৌদ্ধ ধৰ্ম আদিৰ উপাদানো কিছু পৰিমাণে সংমিশ্ৰণ কৰা হৈছিল।

(৮) ভক্তিধৰ্মৰ আধাৰ গ্ৰন্থ স্বৰূপে *ভাগৱত-পুৰাণ* আৰু *শ্ৰীমদ্ভগৱত গীতাই* বিশেষভাৱে প্ৰাধান্য লাভ কৰি আহিছে।

(৯) জন-গণৰ মাজত ভক্তিতত্ত্ব সৰল-সহজভাৱে প্ৰচাৰ কৰিবৰ বাবে প্ৰত্যেক অঞ্চলতে সেই অঞ্চলৰ ভাষাত *ভাগৱত-পুৰাণ, গীতা* আদি সংস্কৃত গ্ৰন্থ অনূদিত হৈছিল।

(১০) গীত-পদ, নৃত্য-নাটক-অভিনয়, চিত্ৰ-ভাস্কৰ্য্য আদি কলাৰ উৎকৰ্ষ সাধনত ভক্তিধৰ্মৰ অৰিহণাৰ বিষয়ে কৈ শেষ কৰিব নোৱাৰি।

(১১) বৈষ্ণৱভক্ত কবিসকলে ভক্তি সাহিত্যত যিদৰে নিজ নিজ অঞ্চলৰ লোকৰ বাহিৰে আন আন অঞ্চলৰ মানুহেও বুজিব পাৰে তাৰ বাবে উমৈহতীয়া বিষয়বস্তু গ্ৰহণ কৰিছিল; তদ্ৰূপ ভাষাৰ ক্ষেত্ৰতো সৰ্বজনবোধ্য কৰি তোলাত গুৰুত্ব দিয়া হৈছিল অৰ্থপূৰ্ণভাৱে।

(১২) ভক্ত কবিসকলে ভক্তিতত্ত্ব প্ৰকাশত গুৰুত্ব দিলেও নিজ নিজ অঞ্চলৰ সামাজিক চিত্ৰ ৰূপায়ণতো দৃষ্টিপাত নকৰাকৈ থকা নাছিল।

০২. **ভাৰতবৰ্ষত ভক্তি-আন্দোলনৰ প্ৰসাৰতা ঃ** ভক্তিধৰ্মৰ উদ্ভৱ হৈছিল দক্ষিণ ভাৰতত, বিশেষকৈ দ্ৰাবিড় দেশত অৰ্থাৎ তামিলনাদুত। *ভাগৱত-মাহাত্ম্য*-ত কোৱা হৈছে যে, দ্ৰাবিড় দেশত ভক্তিধৰ্মৰ উদ্ভৱ হৈছিল আৰু তাৰপৰা লাহে লাহে এই ধৰ্ম সম্প্ৰসাৰিত হৈছিল কৰ্ণাটক আৰু মহাৰাষ্ট্ৰত আৰু গুৰ্জৰদেশ বা গুজৰাটত এই ধৰ্মই জীৰ্ণতাপ্ৰাপ্ত হয়। সংস্কৃত শ্লোকটো তলত দিয়া হ'ল ঃ

*উৎপন্না দ্ৰাবিড়ে সাঽহং বৃদ্ধিং কৰ্ণাটকে গতা।*
*কচ্চিৎ ক্বচিন্মহাৰাষ্ট্ৰে গুৰ্জৰে জীৰ্ণতাং গতা।।*

কবীৰ দাসেও তেওঁৰ দোহা এটিত প্ৰায় এই কথাখিনিকেই এইদৰে কৈছিল ঃ

*ভক্তি দ্ৰাবিড়ে উপজী লায়ে ৰামানন্দ।*
*পৰ্গট কিয়ো কবীৰনে সপ্তদ্বীপ নৱখণ্ড।।*

অৰ্থাৎ দ্ৰাবিড় দেশত ওপজা ভক্তি উত্তৰ ভাৰতলৈ আনে ৰামানন্দই আৰু সপ্তদ্বীপ-নৱখণ্ডত কবীৰে এই ধৰ্ম প্ৰকট কৰে।

গতিকে আমি সহজেই ক'ব পাৰো যে, ভক্তিধৰ্ম দ্ৰাবিড়ীয় সংস্কৃতিৰ অৱদান। আলোৱাৰসকলৰদ্বাৰা ৰচিত গীত-পদ আৰু সাহিত্যৰ আধাৰত শ্ৰীৰামানুজাচাৰ্যৰ বিশিষ্টাদ্বৈতবাদৰ উদ্ভৱ হৈছিল। পণ্ডিতসকলৰ মতে আলোৱাৰসকলৰ মাজৰে কোনোবা এজনৰদ্বাৰা ৰচিত *নালায়িৰদিব্য প্ৰবন্ধম্* গ্ৰন্থই ভাৰতীয় ভক্তি আন্দোলনৰ মূল গ্ৰন্থ। সম্ভৱ এই গ্ৰন্থখনৰ সংস্কৃত ৰূপেই *শ্ৰীমদ্ভাগৱত-পুৰাণ*। ৰামানুজাচাৰ্য্যই (খ্ৰীঃ ১০১৭-১১৩৭ চন) বিশিষ্টাদ্বৈতবাদৰ দৃষ্টিভংগীৰে *ব্ৰহ্মসূত্ৰ* ব্যাখ্যা কৰি দেখুৱাইছিল যে, পৰমেশ্বৰক নাৰায়ণ ৰূপে অভিহিত কৰা উচিত। *ব্ৰহ্মসূত্ৰ* আৰু উপনিষদৰ

আধাৰত প্ৰতিষ্ঠিত বিশিষ্টাদ্বৈতবাদত ৰামানুজে ভক্তিৰ (ঈশ্বৰ প্ৰীতি) স্থান নিৰ্দেশ কৰি উপাসনাৰ পৰিসৰ বৃদ্ধি কৰে। মুঠতে ৰামানুজাচাৰ্যাই দাৰ্শনিক সিদ্ধান্তৰ আধাৰত ভক্তিধৰ্ম প্ৰতিষ্ঠা কৰে।

ৰামানুজাচাৰ্য্যৰ তিৰোধানৰ পাছত দক্ষিণ ভাৰতৰ বৈষ্ণৱ ভক্তিধৰ্ম লাহে লাহে সম্প্ৰসাৰিত হ'বলৈ ধৰিলে উত্তৰ ভাৰতলৈ। ইয়াৰ পৰিণতি স্বৰূপে ভক্তিধৰ্ম তামিল ৰাজ্যৰপৰা হিন্দীভাষী অঞ্চলত বিয়পি পৰিবলৈ সক্ষম হ'ল। এই প্ৰসঙ্গত স্বামী ৰামানন্দৰ আবিৰ্ভাৱ বিশেষকৈ উত্তৰ ভাৰতত ভক্তিধৰ্ম প্ৰসাৰৰ ক্ষেত্ৰত অতিকৈ তাৎপৰ্য্যপূৰ্ণ। খ্ৰীঃ ত্ৰে শতিকাৰ শেষাৰ্ধত তেওঁৰ জন্ম হৈছিল। ৰামানন্দ বিদ্বান, ভক্ত আৰু সমাজ সংস্কাৰক আছিল। তেওঁৰ সমকালীন সমাজৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় পৰিস্থিতি মুঠেই সন্তোষজনক নাছিল। সেই সময়ৰ মুছলমান শাসকসকলৰ গোড়ামি আৰু অত্যাচাৰত হিন্দুধৰ্ম আৰু সংস্কৃতিৰ অৱস্থা লৈ লৈ-থৈ থৈ হৈছিল। দ্বিতীয়তে, হিন্দু সমাজখনো জাত-পাত, উচ্চ-নীচৰ নামত শতধা বিভক্ত হৈ পৰিছিল। হিন্দুসমাজক একত্ৰিত আৰু সংহতিত কৰাৰ প্ৰসংগত স্বামী ৰামানন্দৰ ভূমিকা আছিল সুদূৰপ্ৰসাৰী।

স্বামী ৰামানন্দ আছিল ৰামানুজাচাৰ্য্যৰ অনুৱৰ্তী। তাত্ত্বিক দিশত ৰামানুজাচাৰ্য্যৰ সৈতে স্বামী ৰামানন্দৰ মিল থাকিলেও উপাসনা আৰু উপাস্য দেৱতাৰ ক্ষেত্ৰত দুয়োৰে মাজত পাৰ্থক্য আছিল। ৰামানন্দৰ উপাস্য দেৱতা আছিল বিষ্ণুৰ অৱতাৰ শ্ৰীৰামচন্দ্ৰ। ৰামানুজাচাৰ্য্য সম্প্ৰদায়ত কেৱল ব্ৰাহ্মণকহে দীক্ষা দিয়া হৈছিল; কিন্তু ৰামানন্দই ৰাম-ভক্তি-দ্বাৰ সৰ্বসাধাৰণৰ বাবে উন্মুক্ত কৰি দিলে। তেওঁৰ মতে মানৱ মাত্ৰেই ভক্তিৰ অধিকাৰী। এইদৰে ভক্তিধৰ্মৰ ক্ষেত্ৰত পৰিদৃষ্ট হোৱা জাতি-বৰ্ণ-ধৰ্ম-স্থান আদিৰ পাৰ্থক্য ৰামানন্দই সম্পূৰ্ণৰূপে আঁতৰালে। মুঠতে ভক্তিৰ জৰিয়তে ৰামানন্দই শতধা বিভক্ত ভাৰতীয় সমাজখন একত্ৰিত কৰাত বিস্ময়কৰভাৱে সাফল্য লাভ কৰিছিল। ইয়াৰ ফলত সমগ্ৰ উত্তৰ ভাৰতত ভক্তিধৰ্ম প্ৰসাৰিত আৰু প্ৰচাৰিত হ'ল। স্বামী ৰামানন্দই সৰ্বপ্ৰথমে সংস্কৃতৰ ঠাইত হিন্দী ভাষাত ভক্তি-সাহিত্য ৰচনা কৰি সংস্কৃত নজনা মানুহৰ বাবে ভক্তিতত্ত্ব সুলভ কৰি তুলিলে।

স্বামী ৰামানন্দৰ অন্যতম শিষ্য কবীৰ দাসৰ নিৰ্গুণ ভক্তিধাৰাত ভাৰতীয় ব্ৰহ্মবাদৰ সৈতে ছুফীসকলৰ ভাবাত্মক ৰহস্যবাদ, যোগীসকলৰ সাধনাত্মক ৰহস্যবাদ আৰু বৈষ্ণৱসকলৰ প্ৰপত্তিবাদৰ সংমিশ্ৰণ ঘটাই প্ৰেম সাধনাৰ বিকাশ সাধন কৰে। তেওঁৰ ৰাম নিৰ্গুণ, তেওঁ দশৰথৰ পুত্ৰ আৰু সীতাৰ স্বামী ৰাম নহয়; তেওঁ সকলোৰে আত্মা, তেওঁ পৰমাত্মা স্বৰূপ। তেওঁ ৰামচন্দ্ৰৰ বিষয়ে এইদৰে লিখিছে ঃ

*হৰি মেৰা পীৱ ভাঈ হৰি মেৰা পীৱ।*
*হৰি বিন ৰহি ন সকৈ মেৰা জীৱ।।*

অৰ্থাৎ হৰি মোৰ প্ৰিয়, হৰি নহ'লে মোৰ জীৱটো নাথাকে।

কবীৰ দাসৰ প্ৰেম সাধনাত চুফীবাদৰ প্ৰভাৱ থাকিলেও ছুফীসকলৰ দৰে তেওঁ কিন্তু ভগৱন্তক প্ৰিয়তমৰ ৰূপত দেখা নাই। ইয়াৰ বিপৰীতে প্ৰিয়তমাৰ ৰূপতহে লক্ষ্য কৰিছে। আড়ম্বৰপূৰ্ণ পূজা-সেৱা, মূৰ্তি-পূজা, অন্ধবিশ্বাস আদিত কবীৰ দাসে বিশ্বাস নকৰিছিল। কবীৰ দাস পণ্ডিত নাছিল, তেওঁ জনসাধাৰণৰ ভাষাত ভক্তিতত্ত্বপূৰ্ণ দোহাৱলী ৰচনা কৰিছিল আৰু এইবোৰ জনসাধাৰণৰ মাজত অতিকৈ জনপ্ৰিয় হৈ উঠিছিল।

স্বামী ৰামানন্দৰ প্ৰিয় শিষ্য গোস্বামী তুলসীদাস সগুণ ভক্তিধাৰাৰ প্ৰৱৰ্তক। তেওঁৰ নাম পৰম ব্ৰহ্ম, তেওঁ নিৰ্গুণ, কিন্তু জনসাধাৰণৰ কল্যাণৰ বাবে সগুণ ৰূপ অৰ্থাৎ নৰৰূপ ধাৰণ কৰে। তুলসীদাসৰ প্ৰভাৱ সীমিত আছিল কেৱল নিম্নশ্ৰেণীৰ মাজত ; কিন্তু তুলসীদাসৰ প্ৰভাৱ সমাজৰ সৰ্বস্তৰৰ নৰ-নাৰী, ৰজা-মহাৰজা পৰ্যন্ত প্ৰসাৰিত হৈছিল। ৰামভক্তি প্ৰচাৰৰ বাবে তুলসীদাসে প্ৰণয়ন কৰিছিল *ৰামচৰিত মানস* আৰু *বিনয় পত্ৰিকা* নামৰ দুখন প্ৰসিদ্ধ গ্ৰন্থ।

শ্ৰীবল্লভাচাৰ্যাই শ্ৰীকৃষ্ণৰ উপাসনাৰ মাধ্যমেৰে বৈষ্ণৱ ধৰ্মত এক বৈশিষ্ট্য প্ৰদান কৰে। তেওঁৰ এই উপাসনাৰ প্ৰভাৱ গভীৰভাৱে পৰিছিল ব্ৰজ ভাষা-ভাষী জনসাধাৰণ আৰু ভক্ত-সন্তৰ সাহিত্য কৰ্মত। বল্লভাচাৰ্য্যৰ দাৰ্শনিক সিদ্ধান্ত

'শুদ্ধাদ্বৈত' নামেৰে জনাজাত। তেওঁ 'পুষ্টিমাৰ্গ'ৰ পোষকতা কৰিছিল। তেওঁৰ শিষ্যসমূহৰ ভিতৰত অন্যতম সুৰদাস। বালগোপালৰ লীলাখেলা বিষয়ক বিবিধ গীত সুৰদাসে ৰচনা কৰিছিল ব্ৰজভাষাত। সেই গীতবোৰৰ সংকলনটিৰ নাম সুৰসাগৰ। এই গ্ৰন্থখন হিন্দী সাহিত্যসমূহৰ ভিতৰত নিশ্চিতভাৱে মূল্যবান। সুৰদাসৰ ভক্তি বাৎসল্যভাৱ প্ৰধান।

কৃষ্ণ-ভক্ত কবিসকলৰ ভিতৰত মীৰা বাঈ অন্যতম। তেওঁ আছিল কৃষ্ণভক্তা। তেওঁৰ ভক্তি আৰু সাধনাত মধুৰভাৱৰ পৰাকাষ্ঠা লক্ষ্য কৰা যায়। শ্ৰীকৃষ্ণই তেওঁৰ আৰাধ্যদেৱ আৰু নমস্যপতি।

ভক্তিধৰ্ম প্ৰসাৰিত হৈ বংগদেশ পৰ্যন্ত প্ৰসাৰিত হ'ল। পশ্চিমবংগৰ নৱদ্বীপ বা নদীয়া নামৰ গাঁৱৰ এক ব্ৰাহ্মণ পৰিয়ালত খ্ৰীঃ ১৪৮৫ চনত চৈতন্যদেৱৰ জন্ম হয়। শৈশৱ কালত তেওঁক মতা হৈছিল বিশ্বম্ভৰ নামেৰে। তেওঁৰ গাৰ বৰণ আছিল বগা, সেই কাৰণে তেওঁক গৌৰাংগ বুলিও মতা হৈছিল।

শ্ৰীচৈতন্যদেৱ আছিল কৃষ্ণ-ভক্ত আৰু সন্ত। তেওঁৰ দৃষ্টিত পৰম ভগৱন্ত হ'ল শ্ৰীকৃষ্ণ আৰু তেওঁৰ আহ্লাদিনী শক্তি বা আনন্দদায়িনী শক্তি হ'ল ৰাধা বা ৰাধিকা। তেওঁৰদ্বাৰা প্ৰবৰ্তিত ভক্তিধৰ্মত সৰ্বমানৱ সমান, মানৱৰ ক্ষেত্ৰত কোনো পাৰ্থক্য নাই। চৈতন্যদেৱক ৰাধাৰ অৱতাৰ স্বৰূপে বিবেচনা কৰা হয়। চৈতন্যদেৱৰদ্বাৰা প্ৰবৰ্তিত ভক্তিধৰ্মত সংকীৰ্তনত অত্যধিক গুৰুত্ব দিয়া হৈছে। তেওঁৰ দ্বাৰা প্ৰচাৰিত ভক্তিধৰ্ম মধুৰ ভাবাশ্ৰয়ী।

অসম, কামৰূপ আৰু কমতা ৰাজ্যত শংকৰদেৱে ভক্তিধৰ্ম প্ৰচাৰ কৰে খ্ৰীঃ পোঞ্চদশ আৰু খ্ৰীঃ ষোড়শ শতিকাত। তেওঁৰদ্বাৰা প্ৰবৰ্তিত ভক্তিধৰ্মৰ আধাৰ গ্ৰন্থ হৈছে *শ্ৰীমদ্ভগবদগীতা* আৰু *শ্ৰীমদ্ভাগৱত-পুৰাণ*। চৈতন্যদেৱৰ দৰে শংকৰদেৱে মধুৰ ভাৱৰ ওপৰত গুৰুত্ব দিয়া নাই; গুৰুত্ব দিছে দাস্য আৰু বাৎসল্য ভাৱত।

ভক্তিধৰ্মৰ প্ৰসাৰ আৰু প্ৰচাৰত দামোদৰদেৱ, হৰিদেৱ, মাধৱদেৱ আদি সন্তৰো ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ।

অকল ধৰ্মৰ ক্ষেত্ৰতেই নহয়, ৰাষ্ট্ৰীয় ভাৱনা জাগ্ৰত আৰু ৰাষ্ট্ৰীয় ঐক্য-সংহতি সাধনত ভক্তিধৰ্মৰ অৱদানৰ তুলনা নাই।

**০৩. শংকৰদেৱৰদ্বাৰা প্ৰবৰ্তিত ভক্তিধৰ্মৰ বৈশিষ্ট্য ঃ** শংকৰদেৱ প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈছিল শ্ৰীক্ষেত্ৰলৈ আৰু তাতেই নব-বৈষ্ণৱ অৰ্থাৎ ভক্তি আন্দোলনৰ সম্যক আভাস পাইছিল আৰু তীৰ্থৰপৰা ঘূৰি আহি নামঘৰ, দেৱগৃহ, সত্ৰ আদি স্থাপন কৰি নিৰৱনিচিনাকৈ তেওঁ ভক্তিধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰে। অৱশ্যে গুৰুচৰিতবোৰৰ মতে শংকৰে তীৰ্থ ভ্ৰমণ কৰিবলৈ যোৱাৰ পূৰ্বেই ভক্তিতত্ত্বৰ বীজ সিঁচিছিল।

শংকৰদেৱক কেন্দ্ৰ কৰি অসম-কামৰূপ আৰু কমতাত নব-বৈষ্ণৱ জাগৰণৰ সূত্ৰপাত হয়। ভাৰতবৰ্ষৰ আন এখন অঞ্চলৰ দৰে অসমতো ভক্তিয়ে নব-বৈষ্ণৱ জাগৰণৰ ক্ষেত্ৰত প্ৰধান চালিকাশক্তি স্বৰূপে সুদূৰপ্ৰসাৰী ভূমিকা গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্লাৱিত নব-বৈষ্ণৱ জাগৰণৰ প্ৰবাহ-প্ৰক্ৰিয়াৰ পৰা অসমৰ নব-বৈষ্ণৱ জাগৰণক পৃথক কৰিব নোৱাৰি।

শংকৰদেৱে বিশ্বাস আৰু ভক্তিৰ ওপৰত অত্যধিক গুৰুত্ব দিছিল। সমাজৰ দুৰ্বল আৰু অনগ্ৰসৰ লোকৰ সামাজিক আৰু আধ্যাত্মিক উন্নতিয়েই আছিল শংকৰদেৱৰ মূল লক্ষ্য। স্বৰূপাৰ্থত তেওঁৰদ্বাৰা প্ৰচাৰিত ভক্তিধৰ্মই জনসাধাৰণক এফালে দিছিল লোকশিক্ষা আৰু আনফালে দিছিল আধ্যাত্মিক চেতনা। ভক্তিধৰ্ম প্ৰচাৰ কৰিবলৈ তেওঁ কেৱল উপদেশ প্ৰদানতে সন্তুষ্ট নাথাকি গীত-পদ, কাব্য-নাট আদি প্ৰণয়ন কৰিছিল। নৃত্য-নাট আৰু ভাওনাৰ সহায়ত তেওঁ ভগৱান শ্ৰীকৃষ্ণৰ দৈৱিক লীলা-মালা কীৰ্তন আৰু পৰিৱেশ্য কলাৰ মাধ্যমেৰে প্ৰদৰ্শন কৰি জনসাধাৰণক ভক্তিৰসত অৱগাহন কৰাইছিল। কোনো নতুন আদৰ্শ বা মত কলা-সাহিত্যৰ সহায়ত প্ৰচাৰ কৰিব নোৱাৰিলে সেই আদৰ্শ বা মত চিৰস্থায়ী হ'ব নোৱাৰে। সেই কাৰণেই শংকৰদেৱে পুথি-পাঁজি, চিত্ৰবিদ্যা, নাট-অভিনয়ৰ সহায় লৈছিল আৰু এইদৰে ভক্তিধৰ্মই স্থায়ীৰূপ পৰিগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। এই প্ৰসংগত ড° বাণীকান্ত কাকতিদেৱে এটি সমীচীন মন্তব্য দাঙি ধৰিছে। মন্তব্যটো তলত দিয়া হ'ল। যেনে ঃ